সুপ্ৰভাত
আজিৰ দিনটোতে—
০ আলবেনিয়াত সংবিধান দিৱস।
০ টিউনিচিয়াত শিশু দিৱস।
০ নেপালত পৃথ্বী দিৱস।
০ ১৮০৫ত মিছিগান টেৰিটৰি সৃষ্টি।
০ ১৯৬২ত অভিনেতা তপন দাসৰ জন্ম।
০ ১৯৭৩ত ক্ৰিকেটাৰ ৰাহুল দ্ৰাবিড়ৰ জন্ম।

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

খ্যা ৩০৬ ☐ শনিবাৰ ☐ ২৬ পুহ ১৯৪৬ শক ☐ ১১ জানুৱাৰী ২০২৫ চন ☐ VOL-14 ☐ NO-306 ☐ SATURDAY 11 JANUARY 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAG

K. COLL
LIBRARY, Dib
on No.........

## নামফাকেৰ বৌদ্ধ বিহাৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা সম্পন্ন

# পাণ্ডুলিপি মানৱ সভ্যতাৰ এক অমূল্য সম্পদ ঃ ড° শশীকান্ত শইকীয়া

বিশেষ বাৰ্তা, ডিব্ৰুগড, ১০ জানুৱাৰী ঃ 'পাণ্ডুলিপি (মেনুস্ক্ৰিপ) হৈছে মানৱ সমাজৰ ইতিহাস আৰু ই কেইবাটাও সভ্যতা শতিকাজুৰি বিস্তৃত হৈ আহিছে। ই হ'ল লিখিত সংস্কৃতিৰ বিকাশ, জ্ঞান সংৰক্ষণ, আৰু মানৱ-সমাজৰ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ বৈ অহা মানুহৰ চিন্তা-চেতনাৰ এটা সোঁত।' ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আজি নাহৰকটীয়াৰ নামফাকেৰ বৌদ্ধ বিহাৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ এক কৰ্মশালাত এইদৰে কয়। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা তিনিদিনীয়া 'বৌদ্ধপাণ্ডুলিপি পঢ়া, লিখা আৰু সংৰক্ষণ' বিষয়ক কৰ্মশালাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ড° শইকীয়াই কয়— 'মেনুস্ক্ৰিপ বা পাণ্ডুলিপি কেৱল কাগজ বা গছৰ ছাল বা পাতত লিখা মানুহৰ চিন্তা-ভাৱনাৰ টুকুৰা নহয়, সেয়া হ'ল মানৱ সভ্যতাৰ সম্পদ।' অতীত আৰু বৰ্তমানৰ মাজত ব্যৱধান দূৰ কৰি প্ৰাচীন পূৰ্বপুৰুষসকলে কি চিন্তা কৰিছিল, কি ধাৰণা বা আৱিষ্কাৰ কৰিছিল, শিক্ষা, জ্ঞান, প্ৰজ্ঞাৰ




মাজেৰে কেনেকৈ আগুৱাই গৈছিল তাৰ ইতিহাস ধৰি ৰখা এবিধ অমূল্য সম্পদ বুলি উল্লেখ কৰি তেওঁ কয় যেবিভিন্ন সময়ত সুন্দৰ শিল্প কৰ্মৰে সজোৱা মেনুস্ক্ৰিপসমূহে এটা যুগৰ, এটা সভ্যতাৰ বিকাশ, বিশ্বাস আৰু মূল্যবোধক সজীৱ কৰি তোলে। বিশিষ্ট লেখক, সাংবাদিক পেইম থি গোহাঁয়ে আঁত ধৰা কৰ্মশালাখনত অধ্যক্ষ ড° শইকীয়াই কয় এই প্ৰাচীন মেনুস্কিপসমূহ সংৰক্ষণ কৰি এটা জাতি, এটা সম্প্ৰদায়, সভ্যতা, সংস্কৃতিক ৰক্ষণাবেক্ষণ দিব পাৰি। প্ৰাচীন বেদ-উপনিষদৰ দৰে প্ৰাচীন ধৰ্ম গ্ৰন্থসমূহে মানুহৰ সভ্যতাক যুগে যুগে কৈ অহা বুলি উল্লেখ কৰি তেওঁ কয় যে এনে গ্ৰন্থসমূহ অধ্যয়ন কৰিলে নতুন প্ৰজন্মই মানৱ সমাজৰ অতীত কি আছিল, বৰ্তমান কি আৰু ভৱিষ্যতৰ বাবে আমি কি লৈ আগুৱাই যাম সেয়া জানিব পাৰে। প্ৰাচীন মেনুস্কিপসমূহত জ্ঞান, প্ৰজ্ঞাৰ দৰে সম্পদ থুপখাই থাকে বুলি উল্লেখ কৰি তেওঁ কয় যে এনে ঐতিহাসিক তথ্যত চিকিৎসা বিজ্ঞান, জ্যোতিৰ্বিজ্ঞান, গণিত, দৰ্শন আদিৰ আভাস পোৱা যায়। প্ৰাকৃতিক ক্ষয়, দুৰ্বল সংৰক্ষণ ব্যৱস্থা, মানুহৰ অৱহেলা, অনাদৰ আৰু গাফিলতিৰ ফলত এই পুৰণি পুথি-পাজিসমূহ হেৰাই যোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে জলবায়ু, কীত-পতংগ, প্ৰযুক্তিৰ অচলতাইও ইয়াক ধ্বংস কৰাত অৰিহণা যোগাইছে। বহু অমূল্য মেনুস্ক্ৰিপ চিৰদিনৰ বাবে হেৰাই যোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে সাম্প্ৰতিক সময়ত ডিজিটেলাইজেচন পদ্ধতিৰে মেনুস্ক্ৰিপ সংৰক্ষণৰ ব্যৱস্থা কৰিছে। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব সঞ্চালকালয়ৰ ভাৰপ্ৰাপ্ত সঞ্চালক, বিশিষ্ট গৱেষক ড° সংগীতা গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰি এনে কৰ্মশালাখন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত নামফাকে বৌদ্ধ বিহাৰ কৰ্তৃপক্ষক ধন্য বাদ জনোৱা কৰ্মশালাখনত অধ্যক্ষ ড° শইকীয়াই কয় যে বহু মেনুস্কিপ মেৰামতি আৰু সংৰক্ষণৰ বাবে বৈজ্ঞানিক পদ্ধতি ব্যৱহাৰ কৰি অৱক্ষয় ৰোধ কৰাৰ প্ৰচেষ্টা চলোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে মানুহৰ মাজত মেনুস্ক্ৰিপ সংৰক্ষণৰ জ্ঞান দিলে, সচেতন কৰি তুলিলে মানৱ সভ্যতাৰ বহু ইতিহাস হেৰাই যোৱাৰ পৰা ৰক্ষা পৰিব বুলি তেওঁ কয়। তেওঁ সাংস্কৃতিক পৰিচয়, জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনা বৃদ্ধি কলাত্মক মূল্য, দক্ষতা নিৰূপণ, ঐতিহাসিক প্ৰমাণ সংৰক্ষণৰ বাবেই এই মেনুস্কিপসমূহ সংৰক্ষণ কৰাটো অতি প্ৰয়োজন বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে কেৱল ইয়াৰ যোগেদি তথ্য সংৰক্ষণ কৰাই নহয়, ই মানুহৰ চিন্তা-ভাৱনাৰ সামূহিক সংৰক্ষণ বুলিও কয়। এনে মেনুস্ক্ৰিপসমূহক টাইম মেছিন বুলি উল্লেখ কৰি তেওঁ কয় যে এনে সম্পদসমূহে পূৰ্ব পুৰুষৰ চিন্তা, সংগ্ৰাম, জীৱন প্ৰণালীৰ বিষয়ে আভাস দিয়ে। মানৱ সভ্যতাৰ ইতিহাস ধৰি ৰাখিবলৈকে এনে নথি সংৰক্ষণত সকলোৱে গুৰুত্ব দিয়া উচিত বুলি তেওঁ কয়। ইণ্ডিৰা গান্ধী ৰাষ্ট্ৰীয় কলা অধ্যয়ন কেন্দ্ৰৰ অধ্যাপক তথা বিভাগীয় মুৰব্বী ড° অচল পাণ্ডিয়াই এনে কৰ্মশালাৰ গুৰুত্ব অতি প্ৰয়োজনীয় বুলি উল্লেখ কৰি এনে কৰ্মশালাই নতুন প্ৰজন্মক ন ন চিন্তাৰ আভাস দিয়ে বুলি কয়। অনুষ্ঠানত একেটা কেন্দ্ৰৰ বিষয়া সত্যেন্দ্ৰ কুমাৰ, নামফাকে বৌদ্ধ মন্দিৰৰ বৌদ্ধ ভিক্ষু ভদন্ত জ্ঞানপাল মহাথেৰ উপস্থিত থাকি অনুভৱ ব্যক্ত কৰে। অসম অৰুণাচলৰ বহু বৌদ্ধ পণ্ডিতে অংশগ্ৰহণ কৰা কৰ্মশালাখনিত শলাগৰ শৰাই আগবঢ়ায় বিশিষ্ট গৱেষক ড° নম্ৰতা কাকতিয়ে।